**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-05-2024
**Time :** 19-10 Hrs.

**Assamese Evening Bulletin**
**HEADLINES**
**::::::::::::::::::::::::::::::::::::::**

১। দেশত লোকসভা নিৰ্বাচনৰ পৰৱৰ্তী দুটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

২। নিৰ্বাচন আয়োগে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আৰু কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেক দল দুটাৰ তাৰকা প্ৰচাৰকসকলক নিৰ্বাচনী আচৰণ বিধি উলংঘা হ'বলগীয়া মন্তব্য কৰাৰ পৰা বিৰত থাকিবলৈ আনুষ্ঠানিকভাৱে সকিয়াই দিবলৈ নিৰ্দেশ জাৰি কৰিছে।

৩। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে অলপতে মৃত্যু হোৱা ইৰাণৰ ৰাষ্ট্ৰপতি আৰু বিদেশ মন্ত্ৰীৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে আয়োজিত এটা অনুষ্ঠানত দেশক প্ৰতিনিধিত্ব কৰাৰ বাবে তেহৰাণত উপস্থিত হৈছে।

৪। ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আয়ে ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাবে লভ্যাংশ হিচাপে কেন্দ্ৰীয় চৰকাৰলৈ ২ লাখ ১০ হাজাৰ ৮৭৪ কোটি টকা হস্তান্তৰত অনুমোদন জনাইছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত আহমেদাবাদত হ'বলগীয়া এলিমিনেটৰ খেলখনত ৰাজস্থান ৰয়েলছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

00000000

দেশত লোকসভা নিৰ্বাচনৰ পৰৱৰ্তী দুটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। ষষ্ঠ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযানৰ কাইলৈ সামৰণি পৰিব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশত আৰু গৃহমন্ত্ৰী অমিত শ্বাহে পশ্চিমবংগত প্ৰচাৰ চলায়। প্ৰধানমন্ত্ৰীয়ে উত্তৰ প্ৰদেশৰ বস্তিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। শ্ৰীমোদীয়ে ভাষণত উন্নত আৰু আত্ম-নিৰ্ভৰ ভাৰতৰ বাবে বিজেপিৰ হকে ভোটদান কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। তেওঁ কয় যে, বিজেপিয়ে প্ৰথম পাঁচটা পৰ্য্যায়ৰ

নিৰ্বাচনত ইতিমধ্যে সংখ্যাগৰিষ্ঠতা লাভৰ লক্ষ্যত উপনীত হৈছে আৰু সেইবাবেই বিৰোধী পক্ষৰ নেতাসকলে ধৈৰ্য্য হেৰুৱাইছে। আনহাতে, শ্ৰাৱস্তি জিলাত বিজেপিৰ প্ৰাৰ্থীৰ হকে অন্য এখন নিৰ্বাচনী সভাত ভাষণ দি শ্ৰীমোদীয়ে আই এন ডি আই মিত্ৰজোটক তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে, তেওঁলোক অকল সাম্প্ৰদায়িকে নহয়, বৰং জাতিভেদবাদীও। তেওঁলোকে স্বজন তোষণত উদগনি দি অহা বুলিও প্ৰধানমন্ত্ৰীয়ে অভিযোগ তোলে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা যোগী আদিত্য নাথেও আজি জ'নপুৰ আৰু বস্তি জিলাত প্ৰচাৰ চলায়। সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱৰ নিৰ্বাচনী সমাৱেশৰ সময়ত হোৱা অচলাৱস্থাৰ সমালোচনা কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, বিৰোধী পক্ষৰ কৰ্মীসকল দিনক দিনে উদ্বিগ্ন হৈ পৰিছে। ইপিনে, মধ্য প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা মোহন যাদৱে আজি মহাৰাজগঞ্জ আৰু কুশিনগৰ জিলাত প্ৰচাৰত ভাগ লয়। ইপিনে, সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱে আজমগড় জিলাৰ এখন নিৰ্বাচনী সভাত অংশ লৈ বিজেপিয়ে উত্তৰ প্ৰদেশৰ ৮০ খন আসনৰ আটাইকেইখনতে পৰাজয় বৰণ কৰিব আৰু দলটোৱে দেশত ১৪০ খনতকৈ অধিক আসন নাপায় বুলি দাবী কৰে। শ্ৰীযাদৱে কয় যে, তেওঁৰ মিত্ৰদল ক্ষমতালৈ আহিলে দুখীয়া লোকৰ সকলো ঋণ মাফ কৰা হ'ব।

আনহাতে, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি পশ্চিমবংগত প্ৰচাৰ চলায়। দিনৰ ভাগত শ্ৰী নাড্ডাই উত্তৰ চৌবিশ পৰগনাৰ পৰা নিৰ্বাচনী প্ৰচাৰৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছত তেওঁ হাওৰা জিলাৰ চিমুলপুৰ মেলাৰ মঠ খেলপথাৰত আয়োজিত জনসভাত ভাষণ দিয়ে। তেওঁ কলকাতা উত্তৰ সমষ্টিত আন এখন নিৰ্বাচনী সভাত অংশ লোৱাৰ লগতে বিয়লি হুগলীত এখন প্ৰচাৰত অংশ লয়। বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও আজি পশ্চিমবংগত প্ৰচাৰ চলায়। তেওঁ কান্থি লোকসভা সমষ্টিৰ ইটাবেৰিয়াত ঘাটাল, দেৰৱা আৰু পুৰুলিয়াত দলৰ সমৰ্থনত প্ৰচাৰ চলায়।

একেদৰে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ঝাৰখণ্ডত প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে। ইপিনে, কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধী ৱাড্ৰাই আজি ঝাৰখণ্ডৰ গোদ্দাত নিৰ্বাচনী সমাবেশত অংশ লয়।

হাৰিয়াণাতো প্ৰচাৰ পূৰ্ণ গতিত অব্যাহত আছে। কংগ্ৰেছ আৰু বিজেপি উভয় দলৰে শীৰ্ষ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে ৰাজ্যখনৰ বিভিন্ন ঠাইত নিৰ্বাচনী সভাত ভাগ লোৱা পৰিলক্ষিত হৈছে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি মহেন্দ্ৰগড়-ভিৱানি সংসদীয় সমষ্টিৰ চৰ্খি দাদ্ৰিত এখন নিৰ্বাচনী সভাত ভাষণ দি অগ্নিবীৰ আঁচনিক লৈ কেন্দ্ৰীয় চৰকাৰক তীব্ৰ সমালোচনা কৰে। শ্ৰীগান্ধীয়ে কয় যে, আই এন ডি আই মিত্ৰজোটে ক্ষমতালৈ আহিলে আঁচনিখন প্ৰত্যাহাৰ কৰিব। তেওঁ লগতে খেতিয়কসকলৰ ঋণ মাফ কৰা আৰু শস্যৰ ন্যূনতম সমৰ্থন মূল্যৰ বাবে এখন আইন প্ৰণয়ন কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। আনহাতে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি ভিৱানিত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। পাকিস্তানৰ এগৰাকী আগশাৰীৰ নেতাই ৰাহুল গান্ধীক প্ৰশংসা কৰাৰ কথা উল্লেখ কৰি শ্ৰীসিঙে কয় যে, কংগ্ৰেছৰ প্ৰাক্তন সভাপতিগৰাকী বিষয়টো লৈ কিয় মৌন হৈ আছে আৰু পাকিস্তানী প্ৰশংসা কিয় প্ৰত্যাখ্যান কৰা নাই বুলি প্ৰশ্ন তোলে। তেওঁ লগতে প্ৰাক্তন সৈনিকৰ কল্যাণৰ বিষয় লৈ কংগ্ৰেছক সমালোচনা কৰি কয় যে, বিজেপি চৰকাৰে তেওঁলোকৰ বাবে এটা পদবী, এটা পেঞ্চন আঁতনি প্ৰৱৰ্তন কৰিছে।

oooooooo

বিজেপিৰ জ্যেষ্ঠ নেতা আৰু কেন্দ্ৰীয় মন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰীয়ে আজি দিল্লীৰ সাতখন লোকসভা আসনত বিজেপিয়ে  জয়লাভ কৰিব বুলি দাবী কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমক সম্বোধন কৰি শ্ৰীপুৰীয়ে কয় যে, দলটোৱে বিগত ১০ বছৰত নতুন দিল্লীত ৫৪ হাজাৰ কোটি টকা মূল্যৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্প সম্পূৰ্ণ কৰিছে। আম আদমী পাৰ্টীক সমালোচনা কৰি শ্ৰীপুৰীয়ে কয় যে, দলটোৱে দিল্লীত আয়ুষ্মান ভাৰত আঁচনি আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনা ৰূপায়ণ নকৰিলে, কিন্তু মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে নিজৰ বাবে বিলাসী আৱাস নিৰ্মাণ কৰিলে।

00000000

নিৰ্বাচন আয়োগে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আৰু কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেক দল দুটাৰ তাৰকা প্ৰচাৰকসকলক নিৰ্বাচনী আচৰণবিধি উলংঘা হ'বলগীয়া মন্তব্য কৰাৰ পৰা বিৰত থাকিবলৈ সকিয়াই দিবলৈ নিৰ্দেশ জাৰি কৰিছে। দুয়োগৰাকী নেতালৈ প্ৰেৰণ কৰা পত্ৰত আয়োগে কয় যে, কোনো দল নাইবা প্ৰাৰ্থীয়ে সাম্প্ৰদায়িক বিবাদ সৃষ্টিকাৰী নাইবা অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি কৰাৰ আশংকা থকা মন্তব্য কৰিব নোৱাৰিব। আয়োগে শ্ৰী নাড্ডাক তেওঁৰ দলৰ তাৰকা প্ৰচাৰকসকলক সমাজত ভাঙোন সৃষ্টিকাৰী বক্তব্য প্ৰদানৰ পৰা বিৰত থাকিবলৈ সকিয়াই দিয়াৰ বাবে নিৰ্দেশ দিছে। তদুপৰি শাসনাধিষ্ঠিত বিজেপিক নিৰ্বাচনী প্ৰচাৰৰ নীতি-নিয়ম অনুসৰণ কৰি প্ৰচাৰ চলোৱাৰ লগতে ভাৰতবৰ্ষৰ সংপৃক্ত আৰু স্পৰ্শকাতৰ জনগাঁথনিৰ দিশলৈ লক্ষ্য ৰাখিবলৈও নিৰ্দেশ দিয়ে। একেদৰে আয়োগে কংগ্ৰেছ দলৰ তাৰকা প্ৰচাৰকসকলক ভাৰতৰ সংবিধান সন্দৰ্ভত আপত্তিজনক মন্তব্য নকৰিবলৈ নিৰ্দেশ দিয়ে। নিৰ্বাচনৰ গোটেই সময়ছোৱাত প্ৰাৰ্থী তথা দলীয় নেতাসকলক নীতি-নিৰ্দেশনা অনুসৰণ কৰি চলিবলৈও আয়োগে নিৰ্দেশ দিছে।

00000000

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ক আজি তেহৰাণত উপস্থিত হোৱাৰ পাছত ইৰাণৰ কৰ্তৃপক্ষই আদৰণি জনায়। শ্ৰীধনখড়ে অলপতে মৃত্যু হোৱা ইৰাণৰ ৰাষ্ট্ৰপতি চৈয়দ ইব্ৰাহীম ৰাইছি আৰু বিদেশ মন্ত্ৰী ড০ হোছেইন আমীৰ আব্দুল্লাহিয়ানৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে চৰকাৰীভাৱে আয়োজিত এটা অনুষ্ঠানত দেশক প্ৰতিনিধিত্ব কৰিব।

উল্লেখযোগ্য যে যোৱা ১৯ মে'ত আকাশমাৰ্গত সংঘটিত এটা দুৰ্ঘটনাত দেশখনৰ নেতা দুগৰাকীয়ে প্ৰাণ হেৰুৱাইছিল।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে ইৰাণ চৰকাৰ আৰু দেশখনৰ জনসাধাৰণক সমবেদনা জ্ঞাপন কৰিছে।

ইৰাণৰ ৰাষ্ট্ৰপতি আৰু বিদেশ মন্ত্ৰীগৰাকীৰ মৃত্যুত ভাৰতে কালি এদিনীয়া ৰাষ্ট্ৰীয় শোক পালন কৰে।

00000000

ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আয়ে ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাবে লভ্যাংশ হিচাপে কেন্দ্ৰীয় চৰকাৰলৈ ২ লাখ ১০ হাজাৰ ৮৭৪ কোটি টকা হস্তান্তৰত অনুমোদন জনাইছে। মুম্বাইত আজি অনুষ্ঠিত আৰ বি আইৰ কেন্দ্ৰীয় সঞ্চালক মণ্ডলীৰ ৬০৮ সংখ্যক বৈঠকত এই প্ৰস্তাৱত অনুমোদন জনোৱা হয়। আনুষ্ঠানিক বিজ্ঞপ্তি অনুসৰি, আৰ বি আইৰ গৱৰ্ণৰ শক্তিকান্ত দাসৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত অৰ্থ-ব্যৱস্থা শক্তিশালী আৰু স্থিতিস্থাপক হৈ

থকালৈ চাই ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাবে নৈমিত্তিক ক্ষতিশংকা সংকটৰোধক চি আৰ বি ৬ দশমিক ৫-০ শতাংশলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, কোৱিড নাইণ্টিনৰ প্ৰাদুৰ্ভাৱ আৰু স্থূল অৰ্থনৈতিক অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি সঞ্চালক মণ্ডলীয়ে ২০১৮-১৯ বিত্তীয় বৰ্ষৰ পৰা ২০২১-২২ বিত্তীয় বৰ্ষলৈ চি আৰ বি ভাৰতীয় ৰিজাৰ্ভ বেংকৰ উদ্বৃত্ত পত্ৰৰ আকাৰৰ ৫ দশমিক ৫-০ শতাংশত বৰ্তাই ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ২০২২-২৩ বিত্তীয় বৰ্ষত এই হাৰ ৬ শতাংশলৈ বৃদ্ধি কৰা হৈছিল।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত হ'বলগীয়া এলিমিনেটৰ খেলখনত ৰাজস্থান ৰয়েলছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই খেলখনত জয়লাভ কৰা দলটো শুকুৰবাৰে হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰ খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগতাৰ চূড়ান্ত খেলখন দেওবাৰে অনুষ্ঠিত হ'ব।

ইয়াৰ পূৰ্বে কলকাতা নাইট ৰাইডাৰ্ছে যোৱা নিশা একেখন ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন কোৱালিফায়াৰত ছানৰাইজাৰ্ছ হায়দৰাবাদক ৮ উইকেটত পৰাস্ত কৰি প্ৰত্যয়পূৰ্ণ বিজয়েৰে ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০০০০

সমাপ্ত